www.prepp.in

Prepp
Your Personal Exams Guide

Language Code : **03**

# SAS-24-I

**प्रश्न-पत्र-I / PAPER-I**

**असमीया भाषा परिशिष्ट**

**Assamese Language Supplement**

**भाग-IV & V / PART-IV & V**

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

इस पुस्तिका में **16** मुद्रित पृष्ठ हैं।
This booklet contains **16** Printed pages.

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 15 व 16) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 15 & 16) of this Test Booklet.**

**मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code**

**K**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **K**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **K**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :

अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________

परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :

परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :

Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.prepp.in

Prepp
Your Personal Exams Guide

Language Code : **03**

# SAS-24-I

**কাকত-I**

**অসমীয়া ভাষা**

**খণ্ড-IV & V**

পৰীক্ষা বহীখনৰ কোড

**K**

এই পৰীক্ষা বহীত **16** টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 15 আৰু 16) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

*পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :*

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **K** এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমুধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতত হে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ সহী : ____________________ নিৰীক্ষকৰ সহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

Prepp
Your Personal Exams Guide

# PART-IV

## LANGUAGE-I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলত দিয়া পেৰাগ্ৰাফটো পঢ়ি 91 ৰ পৰা 99 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পৰ মাজৰ পৰা নিৰ্ণয় কৰাঁ ।**

ইউৰোপত আধুনিক যুগৰ সূচনা হয় পোন্ধৰ শতিকাত। ইংৰাজ দাৰ্শনিক ফ্ৰাঞ্চিছ্ বে'কনক 'আধুনিক যুগৰ আটাইতকৈ মেধাৱী মানুহ' বুলি কোৱা হয়; আন বহুতেই আকৌ ক'ব খোজে যে তেৱেঁই আছিল আধুনিক যুগৰ প্ৰথম উদ্‌গাতা। অথচ ফ্ৰাঞ্চিছ্ বে'কনৰ জন্ম হৈছিল ১৫৬১ চনত। পোন্ধৰ আৰু ষোল শতিকাত ইউৰোপৰ ভাব-জগতত এনে কিছুমান মহত্ত্বপূৰ্ণ ঘটনা ঘটিছিল - যিবোৰ ঘটনাই মধ্যযুগৰ অৱসান ঘটাই আধুনিক যুগৰ সূচনা কৰিলে। সেই কাৰণে ঐতিহাসিক অৰ্থত আমি যি আধুনিক যুগৰ কথা ইয়াত ক'ব খুজিছোঁ। সেই যুগটোৱে যোৱা প্ৰায় চাৰিশটা বছৰ সামৰিছে।

এই প্ৰসঙ্গতে কৈ থোৱা দৰকাৰ যে ইউৰোপৰ ইতিহাসক থূলমূলকৈ তিনিটা প্ৰধান যুগত ভাগ কৰিব পাৰি ঃ (1) প্ৰাচীন যুগ (2) মধ্য যুগ আৰু (3) আধুনিক যুগ। ইংৰাজীত Classical antiquity নামে পৰিচিত প্ৰাচীন যুগটো খ্ৰীষ্টপূৰ্ব ১০০০ চনমানৰ পৰা আৰম্ভ হৈ প্ৰায় ৫০০ খ্ৰীষ্টাব্দলৈকে চলি আছিল। অৱশ্যে এটা কথা ঠিক যে ঐতিহাসিক যুগবোৰ কোনো এটা বিশেষ বছৰৰ বিশেষ দিনত আৰম্ভ হৈ আন এটা বিশেষ বছৰৰ বিশেষ দিনত অন্ত নপৰে। কামৰ সুবিধাৰ কাৰণেহে মোটামুটিকৈ একোটা তাৎপৰ্যপূৰ্ণ বছৰ ধৰি লোৱা হয়। সি যি কি নহওক, সুদীৰ্ঘ ১৫০০ বছৰ কাল সামৰা ইউৰোপীয় ইতিহাসৰ এই প্ৰাচীন যুগটো কিন্তু আচলতে গ্ৰীক আৰু ৰোমানসকলৰ যুগ। এই যুগটোৰ প্ৰথম ভাগত গ্ৰীকসকলে আৰু পিছৰ ভাগত ৰোমানসকলে ইউৰোপৰ সভ্যতা-সংস্কৃতি গঢ়াত প্ৰধান ভূমিকা লৈছিল। মানৱ-সভ্যতালৈ গ্ৰীকসকলৰ অবিনাশী দান হ'ল তেওঁলোকৰ সাহিত্য, বিজ্ঞান-দৰ্শন আৰু শিল্প-কলা। আনহাতে ৰোমানসকলে উত্তৰাধিকাৰ হিচাপে এৰি থৈ গৈছে তেওঁলোকৰ শাসন-ব্যৱস্থা আৰু আইন-ব্যৱস্থা।

**91.** আধুনিক যুগটোৱে কিমান সময় সামৰিছে ?

(1) বৰ্তমান সময়ক (2) চাৰিশটা বছৰ (3) পোন্ধৰ শতিকাক (4) পঞ্চদশ শতিকাক

**92.** 'উত্তৰাধিকাৰ' শব্দটো ভাঙি দেখুৱালে পোৱা ৰূপটো হ'ব -

(1) উত্তৰাধিক + আৰ (2) উত্তৰ + আধিক + আৰ
(3) উত্তৰা + ধিকাৰ (4) উত্তৰ + অধিকাৰ

**93.** আধুনিক যুগৰ আগৰ যুগটো কি আছিল ?

(1) মধ্যযুগ (2) অৰ্বাচীন যুগ (3) প্ৰাচীন যুগ (4) উত্তৰ আধুনিক যুগ

**94.** ফাঞ্চিছ্ বে'কন প্ৰাচীন যুগৰ অৱসানৰ কিমান বছৰৰ পাছত জন্ম হৈছিল ?

(1) প্ৰায় ১৫৬১ বছৰ (2) প্ৰায় ৫০০ বছৰ (3) প্ৰায় ১৫০০ বছৰ (4) প্ৰায় ১০০০ বছৰ

**95.** প্ৰাচীন যুগটো কাৰ যুগ ?

(1) গ্ৰীকসকলৰ (2) ৰোমান সকলৰ
(3) গ্ৰীক আৰু ৰোমানসকলৰ (4) ইউৰোপৰ

**96.** প্ৰাচীন যুগ খ্ৰীষ্ট জন্মৰ কিমান শতিকা পাছলৈকে চলিছিল ?

(1) পাঁচ শতিকা (2) পঞ্চদশ শতিকা (3) এশ শতিকা (4) পাঁচশ শতিকা

**97.** শিল্পকলা মানৱ সভ্যতালৈ কাৰ দান ?

(1) ইউৰোপীয়সকলৰ (2) আধুনিক সভ্যতাৰ (3) গ্ৰীকসকলৰ (4) ৰোমানসকলৰ

Prepp
Your Personal Exams Guide

**98.** ফ্ৰাঞ্চিছ্ বে'কন আছিল -

(1) আধুনিক যুগৰ প্ৰধান সমালোচক  (2) ভাবুক লেখক

(3) ইউৰোপৰ ভিতৰতে জ্ঞানী মানুহ  (4) আধুনিক যুগৰ সবাতোকৈ মেধাৱী মনুহ

**99.** ৰোমানসকলৰ দানৰ ভিতৰত উল্লেখযোগ্য হৈছে -

(1) আইন-ব্যৱস্থা  (2) সভ্যতা  (3) বিজ্ঞান-দৰ্শন  (4) সাহিত্য

**নিৰ্দেশ ঃ তলত দিয়া কবিতাটো পঢ়ি 100 ৰ পৰা 105 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা বাছি উলিওৱাঁ -**

লুইতৰ চাপৰিত  ক'ৰে নাৱৰীয়া
বালিত ভাতে ৰান্ধি খায়;
সাউদৰ ডিঙৰা  বগা পালে তৰা
উজনি দেশলৈ যায়।
হেৰ' নাৱৰীয়া  মেলি দে ডিঙৰা
তৰি দে শুকুলা পাল,
পশ্চিমৰ দিশৰে  পছোৱা আহিছে
বতাহ বলিছে ভাল।
পালতে লাগিব  পশ্চিমৰ পছোৱা
তুল-বুল কৰিব নাও,
ঢউৰ চেৰে চেৰে  নামে লগাই দিবি
হালিব-জালিব গাৱ।

**100.** উজনি দেশলৈ কি যায় ?

(1) লুইত  (2) সাউদৰ ডিঙৰা  (3) পছোৱা  (4) শুকুলা পাল

**101.** কবিতাটোৰ মূল বিষয় কি ?

(1) সাউদৰ নৌকা যাত্ৰা  (2) পছোৱা বতাহ  (3) মানৱ প্ৰেম  (4) প্ৰকৃতিৰ সৌন্দৰ্য

**102.** কবিতাটোত ব্যৱহৃত দুটা সমাৰ্থক শব্দ -

(1) ডিঙৰা আৰু নাও  (2) মেলি দে আৰু তৰি দে

(3) চাপৰি আৰু বালি  (4) সাউদ আৰু নাৱৰীয়া

**103.** কবিতাটোত উল্লেখিত বতাহজাক -

(1) লুইতৰ চাপৰিত বলিছে  (2) বালিত ভাত ৰান্ধি খোৱা পৰত বলিছে

(3) ঢউৰ চেৰে চেৰে নাচিছে  (4) পশ্চিমৰ দিশৰ পৰা বলিছে

**104.** "কবিতাটোত সদৃশ বৰ্ণ বাক্যৰ শেষত আৰু কোনো কোনো ক্ষেত্ৰত মাজতো পুনৰাবৃত্ত হৈ কাব্য শৰীৰ ব্যঞ্জনাময় কৰি তুলিছে।" - ই কি অলংকাৰৰ উদাহৰণ ?

(1) ৰূপক  (2) উৎপ্ৰেক্ষা  (3) অনুপ্ৰাস  (4) উপমা

**105.** সাউদৰ ডিঙৰাৰ পালখন -

(1) হালে জালে  (2) ঢউৰ চেৰে চেৰে নাচে

(3) বগা বা শুকুলা ৰঙৰ  (4) তুলবুল কৰে

**106.** তলৰ কোনটো প্ৰাথমিক স্তৰত গ্ৰন্থাগাৰ ব্যৱহাৰৰ ক্ষেত্ৰত শুদ্ধ নহয় ?
গ্ৰন্থাগাৰক মাত্ৰ গ্ৰন্থ থোৱা ঠাই হিচাপে গণ্য কৰিব নালাগে, বৰং -
(1) শিক্ষক আৰু অন্যান্য জেষ্ঠ্যসকল গ্ৰন্থাগাৰৰ পঠন অভ্যাসৰ আদৰ্শ হ'ব পাৰে।
(2) পাঠ্যপুথিৰ সৰৱ পঠন গ্ৰন্থাগাৰতে ভালদৰে কৰিব পাৰি।
(3) শিক্ষাৰ্থীক শিশু সাহিত্যৰ বিভিন্ন শাখাৰ সৈতে চিনাকি কৰি দিব পাৰি।
(4) কিতাপৰ সৈতে ব্যস্ত ৰাখিব পৰা সক্ৰিয় বাতাবৰণ হিচাপে ভাবিব পাৰি।

**107.** কোনটো পদ্ধতি/অভিগমে শিক্ষাৰ্থীক ভাষাৰ শ্ৰেণীকোঠাত নিজৰ ভাষাটো ব্যৱহাৰ কৰাত উৎসাহিত নকৰে ?
(1) প্ৰত্যক্ষ পদ্ধতি (Direct method)
(2) শ্ৰব্যভাষিক পদ্ধতি (Audiolingual method)
(3) স্বাভাৱিক অভিগম (Natural approach)
(4) যোগাযোগমূলক অভিগম (Communicative approach)

**108.** বৰ্ণবোধ আয়ত্তকৰণৰ বাবে তলৰ কোনটো প্ৰযোজ্য ?
(1) বিসংকেতিকৰণ আৰু বোধজ্ঞান (2) নিখুঁটতা আৰু ধ্বনি বোধজ্ঞান
(3) ধ্বনিজ্ঞান আৰু সাৱলীলতা (4) বৰ্ণ চিনাক্তকৰণ আৰু গঢ় চিনাক্তকৰণ

**109.** (National Curriculum Framework) অত ৰূপৰেখা প্ৰস্তুত কৰা মতে শিশুৰ দক্ষতা আহৰণৰ বাবে এক সামগ্ৰিক, আদৰণীয় আৰু আনন্দদায়ক বাতাবৰণ প্ৰস্তুত কৰিব পৰা যায় -
(1) বিভিন্ন দিশৰ বিকাশৰ সৈতে সংগতি থকা শিক্ষাৰ্থীৰ কৰ্মক প্ৰদৰ্শন কৰি।
(2) শ্ৰেণীকোঠাটো ৰং বিৰঙেৰে সজাই এটা বৰ্ণময় পাৰিপাৰ্শ্বিকতা সৃষ্টি কৰা।
(3) তীব্ৰ গৰমত বাহিৰৰ কাৰ্যাৱলী নকৰাই ভিতৰুৱা কাৰ্যত ব্যস্ত ৰাখি।
(4) শিক্ষাৰ্থীৰ স্বাস্থ্য আৰু কল্যাণৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি।

**110.** শিকাৰুৰ বাস্তৱ জীৱনৰ পৰিপ্ৰেক্ষিতক আধাৰ কৰি ভাষাৰ ব্যৱহাৰৰ মূল লক্ষ্য আহৰণৰ ক্ষেত্ৰত তলৰ কোনটো অভিগম/পদ্ধতি প্ৰয়োগ কৰা হয় ?
(1) প্ৰত্যক্ষ পদ্ধতি
(2) শ্ৰব্যভাষিক পদ্ধতি
(3) স্বাভাৱিক অভিগম (Natural approach)
(4) যোগাযোগমূলক অভিগম

**111.** পঞ্চম শ্ৰেণীৰ ছাত্ৰ এগৰাকীয়ে কৈছে - "মই মোৰ কৰ্মটিক শিক্ষাগুৰুৰ ওচৰত জমা দিয়াৰ পূৰ্বে শেষবাৰৰ বাবে ভালকৈ পৰীক্ষা কৰি লৈছোঁ।" ছাত্ৰগৰাকীয়ে লিখনৰ কোনটো স্তৰত কাম কৰিছে ?
(1) আৰ্হি কাকত পঠন (2) সহপাঠী মূল্যায়ন (3) খচৰা লিখন (4) পুনঃখচৰা লিখন

**112.** তৃতীয় শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষকে শ্ৰেণীকোঠাত এটা 'পঠন স্থান' (reading corner) প্ৰতিষ্ঠা কৰিব বিচাৰিলে। ইয়াৰ বাবে শিশুৰ গ্ৰন্থ বাচনি কৰাৰ ক্ষেত্ৰত তলৰ কোনটো প্ৰশ্ন প্ৰথমতেই প্ৰাসংগিক হ'ব?
(1) কিতাপবোৰে তৃতীয় মানৰ পাঠ্যসূচীৰ লক্ষ্যসমূহ পূৰণত সহায় কৰিবনে ?
(2) এই কিতাপবোৰ একাধিক শিক্ষণ প্ৰসংগত ব্যৱহাৰ কৰিব পৰা যাবনে ?
(3) লেখকগৰাকী শিশু উপযোগী গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত সম্মানীয় আৰু প্ৰতিষ্ঠিত লেখ হয়নে ?
(4) কিতাপবোৰ শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত পঠন স্তৰৰ হয়নে ?

**113.** এগৰাকী শিক্ষকে দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে শিক্ষণ শিকন সঁজুলি সংগ্ৰহ কৰাৰ পৰিকল্পনা কৰিলে। তলৰ কোনটো শিক্ষণ শিকন সঁজুলি সংগ্ৰহৰ সঠিক প্ৰক্ৰিয়া নহয় ?

(1) নিৰ্বাচিত সঁজুলিবোৰ স্থানীয়ভাৱে নিৰ্মিত বা থিতাতে পাব পৰা হ'ব লাগে যাতে সেইবোৰ ততালিকে সলাই ল'ব পাৰি।
(2) নিৰ্বাচিত সঁজুলিবোৰ কেৱল শিশুৰ দ্বাৰা প্ৰস্তুত কৰা হ'ব লাগে আৰু সেইবোৰৰ পিচলতা আঁতৰাবলৈ সামান্য খহতা হ'ব লাগে।
(3) নিৰ্বাচিত সঁজুলিসমূহ শিক্ষাৰ্থীৰ বয়স অনুপাতে আকৰ্ষণীয় আৰু নিৰাপদ হ'ব লাগে।
(4) নিৰ্বাচিত সঁজুলিবোৰ শিশুৱে উৎসুক্যসহ পৰীক্ষণ আৰু উদ্ভাৱন কৰাৰ উপযোগী হ'ব লাগে।

**114.** তৃতীয় শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলক নিজৰ সংগীসকলৰ সামৰ্থ্য পৰীক্ষা কৰিবৰ বাবে 'Can' ব্যৱহাৰ কৰি (যেনে Can you swim ?) পাঁচটাকৈ প্ৰশ্ন কৰিবলৈ দিলে। এই ধৰণৰ কাৰ্য হৈছে -

(1) মুক্ত কথন
(2) নিস্ক্ৰিয় শ্ৰৱণ
(3) মৌখিক সাৱলীলতাৰ পৰীক্ষা
(4) নিয়ন্ত্ৰিত মৌখিক পৰীক্ষা

**115.** বৰ্ণ আৰু উচ্চাৰণৰ সম্পৰ্কক গুৰুত্ব প্ৰদান কৰি বৰ্ণবোধ কৰোৱা পদ্ধতিটো হৈছে -

(1) পৰিস্থিতিগত অভিগম (Situational approach)
(2) ধ্বনিসংক্ৰান্তীয় নিৰ্দেশ
(3) সামগ্ৰিক ভাষা অভিগম (Whole language approach)
(4) ব্যাকৰণ অনুবাদ

**116.** তলৰ কোনটো কাৰ্যকৰী ব্যাকৰণ শিকনৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় ?

(1) যোগাযোগৰ বাবে অভ্যাস কৰোৱা
(2) নিয়মবোৰ মনত ৰাখি ব্যাকৰণ শিক্ষা
(3) যথাৰ্থ যোগাযোগ উপস্থাপন
(4) ব্যাকৰণৰ প্ৰাসংগিক নিয়মবোৰ উদ্ধাৰ কৰা

**117.** তলৰ কোনটো নীতি প্ৰাথমিক স্তৰৰ (Foundation stage) পাঠ্যপুথি প্ৰস্তুতকৰণৰ নীতি নহয় ?

(1) অপৰিৱৰ্তনীয় নীতি (Concrete principle)
(2) কাৰিকৰী নীতি (Technology principle)
(3) পাঠ্যসূচী নীতি (Curriculum principle)
(4) উপস্থাপন নীতি (Presentation principle)

**118.** প্ৰাথমিক স্তৰত শিশুসকল শিকাৰ ক্ষেত্ৰত অধিক নিয়োজিত হয়, যেতিয়া -

(1) তেওঁলোকে নোটবোকত বৰ্ণ ট্ৰেচিং কৰে বা লিখে।
(2) সূক্ষ্ম অংগ সঞ্চালন দক্ষতা (fine motor skill) তে মাত্ৰ গুৰুত্ব দিয়া হয়।
(3) শিক্ষকৰ লগে লগে পদ্য মাতে।
(4) তেওঁলোকে বিভিন্ন অনুভৱ ব্যৱহাৰ কৰে আৰু হাতৰ সক্ৰিয় ব্যৱহাৰ কৰে।

**119.** তলৰ বাক্যটোৰ ক্ষেত্ৰত নিম্নোক্ত কোনটো শুদ্ধ নহয় ?

পদ্য, গীত আৰু আবৃত্তি কৰা শিশুৰ __________ ৰ বাবে গ্ৰহণীয় পন্থা।

(1) উচ্চাৰণৰ অভ্যাস
(2) বাক্যৰ অভিব্যক্তি আৰু লয় উন্নত কৰা
(3) শব্দভাণ্ডাৰ সমৃদ্ধ কৰা
(4) শব্দ আৰু বাক্য গাঁথনি মনত ৰখা

**120.** এগৰাকী শিক্ষকে শিক্ষাৰ্থী সকলক নিজৰ বহীবোৰ পাৰস্পৰিকভাৱে সলাই লৈ ইজনক সিজনৰ কামবোৰ পৰীক্ষা কৰিবলৈ দিছে। এই কাৰ্যৰ উদ্দেশ্য হৈছে -

(1) গঠনৰ নিয়ন্ত্ৰিত অভ্যাস কৰোৱা
(2) সহপাঠী-শুদ্ধকৰণৰ অভ্যাস কৰোৱা
(3) বিস্তৃত পঠন অভ্যাস গঢ়া
(4) নতুন শব্দভাণ্ডাৰ ব্যৱহাৰৰ অভ্যাস কৰা

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

Prepp
Your Personal Exams Guide

## PART–V

## LANGUAGE–II

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলৰ পেৰাগ্ৰাফটো পঢ়ি 121 ৰ পৰা 128 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ।**

১৪৫২ খ্ৰীষ্টাব্দত ইটালীৰ ফ্ল'ৰেঞ্চ্ নগৰত লিঅ'নাৰ্ড'-দা-ভিন্সিৰ জন্ম হয়। সৰু কালত লিঅ'নাৰ্ড' অতি চঞ্চল স্বভাৱৰ ল'ৰা আছিল। বিভিন্ন বিষয়ৰ প্ৰতি তেওঁৰ আগ্ৰহ, কিন্তু কোনো এটা বিষয়তে বেছি দিন তেওঁৰ মন নবহে। ল'ৰাটোক লৈ দেউতাকৰ যথেষ্ট দুশ্চিন্তাই হৈছিল। কিন্তু তেওঁ এটা কথা মন কৰিছিল যে লিঅ'নাৰ্ড'ই আন সকলো বিষয়তে অধৈৰ্য দেখুৱালেও একমাত্ৰ ছবি অঁকাৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল গভীৰ আৰু অকৃত্ৰিম। বহুত ভাবি-চিন্তি দেউতাকে এদিন লিঅ'নাৰ্ড'ক ফ্ল'ৰেঞ্চৰ। সেই সময়ৰ আটাইতকৈ বিখ্যাত শিল্পী এণ্ড্ৰিয়া-ডেল-ভেৰকছিঅ'ৰ ওচৰলৈ লৈ গ'ল। ভেৰকছিঅ'য়ো লিঅ'নাৰ্ড'ক শিষ্য হিচাপে গ্ৰহণ কৰিলে।

লিঅ'নাৰ্ড'ই তেওঁৰ অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিবৰ কাৰণে উপযুক্ত সুযোগ পাবলৈ বেছিদিন অপেক্ষা কৰিব লগা নহ'ল। এটা স্থানীয় মঠৰ খ্ৰীষ্টিয়ান সন্ন্যাসীসকলে এদিন ভেৰকছিঅ'ক 'ছেইণ্ট জনৰ দ্বাৰা খ্ৰীষ্টক দীক্ষাদান' নামৰ এখন ছবি আঁকি দিবলৈ অনুৰোধ কৰিলে। সেই সময়ত ভেৰকছিঅ'ৰ হাতত আৰু বহুত কাম আছিল। তেওঁ ভাবিলে যে তেওঁৰ পক্ষে অকলে ছবিখন যথা সময়ত আঁকি শেষ কৰা সম্ভৱ নহ'ল। সেই কাৰণে ছবিখনৰ এটা চুকত এজন দেৱদূতৰ ছবি আঁকি দিবলৈ তেওঁ লিঅ'নাৰ্ড'ক নিৰ্দেশ দিলে। লিঅ'নাৰ্ড'ই যেতিয়া ছবিখন আঁকি সম্পূৰ্ণ কৰিলে, ছবিখনৰ ফালে চাই ভেৰকছিঅ' বিস্ময়ত হতভম্ব হ'ল। তেওঁৰ কিশোৰ শিষ্যই স্বাভাৱিক প্ৰতিভাৰ বলেৰে এনে এখন অনিন্দ্য-সুন্দৰ ছবি আঁকি উলিয়াইছে - যিখন ছবি তেওঁৰ দৰে অভিজ্ঞ আৰু প্ৰৱীণ শিল্পীৰ পক্ষেও সাধ্যৰ অতীত। ভেৰকছিঅ'ই বুজিলে যে তেওঁৰ শিষ্যই ইতিমধ্যে তেওঁক অতিক্ৰম কৰি গৈছে। শিষ্যৰ কৃতিত্বত তেওঁ অতিশয় আনন্দিত হ'ল, কিন্তু লগে লগে এটা পৰাজয়ৰ গ্লানিয়েও তেওঁক গ্ৰাস কৰি ধৰিলে। সেইদিনাৰ পৰা তেওঁ চিত্ৰকৰৰ তুলিকা চিৰদিনলৈ বিসৰ্জন দি ভাস্কৰ্যৰ সাধনাত মনোনিৱেশ কৰিবলৈ ধৰিলে।

ইফালে চিত্ৰকৰ হিচাপে লিঅ'নাৰ্ড'ৰ খ্যাতি চাৰিওফালে ফাটি-ফুটি যাবলৈ ধৰিলে। কিন্তু সেই খ্যাতিয়ে লিঅ'নাৰ্ড'ক অলপো সন্তুষ্ট কৰিব নোৱাৰিলে। বৰং জীৱনত প্ৰথমবাৰৰ কাৰণে অঁকা আৰু শিল্প-ৰসিকসকলৰ দ্বাৰা অভিনন্দিত হোৱা সেই ছবিখনে তেওঁৰ মনত এটা গভীৰ অতৃপ্তিহে জগাই তুলিলে। তেওঁ অনুভৱ কৰিলে যে শিল্প-কলাৰ সাধনাৰ মাজেদি যদি তেওঁ জীৱনৰ এটা বিশেষ তাৎপৰ্য সন্ধান কৰিব খোজে, তেন্তে তেওঁ প্ৰকৃতিৰ বিষয়ে গভীৰভাৱে অধ্যয়ন কৰিব লাগিব। কাৰণ প্ৰকৃতিয়েই হ'ল সকলো জ্ঞানৰ উৎস। এই সময়ছোৱাত তেওঁ কেৱল ছবি অঁকাতে ব্যস্ত নাথাকি নানা যন্ত্ৰপাতিৰ নক্সা অঁকা আৰু কঠিন কাৰিকৰী প্ৰকল্পৰ পৰিকল্পনা কৰাতো যথেষ্ট সময় খৰচ কৰিবলৈ ধৰিলে। সেই সময়ত তেওঁ যিবোৰ কামৰ সপোন দেখিছিল, আজিৰ মানুহে তেনেকুৱা বহুবোৰ সপোনকে দিঠকত পৰিণত কৰিছে। কিন্তু আজিৰ পৰা চাৰিশ বছৰৰ আগতেই সেইবোৰ কথা চিন্তা কৰিব পৰা বিৰাট প্ৰতিভা আৰু অসামান্য কল্পনা-শক্তি আছিল লিঅ'নাৰ্ড'-দা-ভিন্সিৰ। পৰ্বত বিদীৰ্ণ কৰি তাৰ মাজেদি পথ নিৰ্মাণ কৰা, মানুহৰ উপকাৰৰ কাৰণে নদীৰ গতিবেগ সলনি কৰি দিয়া, গগন-চুম্বী প্ৰাসাদ - আধুনিক ভাষাত 'স্কাইস্ক্ৰোপাৰ' নিৰ্মাণ কৰা, এইবোৰ কথা তেতিয়াই চিন্তা কৰিছিল লিঅ'নাৰ্ড'-দা-ভিন্সিয়ে।

**121.** লিঅ'নাৰ্ড'ৰ মতে কিহৰ পৰা অধিক জ্ঞান লাভ কৰিব পৰা যায় ?

(1) গুৰু (2) গীৰ্জা (3) প্ৰকৃতি (4) মানুহ

**122.** লিঅ'নাৰ্ড'ৰে দেৱদূতৰ ছবিখন অঁকাৰ পাছত তেওঁৰ গুৰুৱে কি কামত মনোনিৱেশ কৰিছিল ?

(1) ভাস্কৰ্য সাধনা (2) মানুহৰ ছবি অঁকা (3) ধৰ্মীয় সাধনা (4) যন্ত্ৰপাতি নিৰ্মাণ

Prepp
Your Personal Exams Guide

**123.** পাঠটোত থকামতে ভিঞ্চিয়ে কিমান দিনৰ পূৰ্বে নতুন নতুন আৱিষ্কাৰবোৰৰ কথা ভাবিছিল ?

(1) চাৰিশ বছৰ (2) খ্ৰীষ্টপূৰ্ব কাল (3) পাঁচশ বছৰ (4) তিনিশ বছৰ

**124.** 'ছেইন্ট জনৰ দ্বাৰ খ্ৰীষ্টক শিক্ষাদান' শীৰ্ষক ছবিখন আঁকিবলৈ সন্ন্যাসীসকলে কাক অনুৰোধ কৰিছিল ?

(1) লিঅ'নাৰ্ড'-দা-ভিঞ্চিক (2) ভেৰকছিঅ'ক

(3) এগৰাকী কিশোৰ শিষ্যক (4) ডিউকক

**125.** 'স্কাইস্ক্ৰোপাৰ' মানে কি ?

(1) অতি ওখ অট্টালিকা (2) কাৰিকৰী প্ৰকল্প

(3) পৰ্বত বিদীৰ্ণ কৰি উলিওৱা পথ (4) নদীৰ ওপৰত সজা দলং

**126.** "তেওঁ চিত্ৰকৰৰ তুলিকা চিৰদিনলৈ বিসৰ্জন দি . . . . " - ইয়াত থকা 'বিসৰ্জন' শব্দটোৰ বিপৰীত শব্দ -

(1) বৰ্জন (2) সমৰ্পন (3) আৱাহন (4) পৰিত্যাগ

**127.** ২০২৩ চনৰ পৰা কিমান বছৰৰ পূৰ্বে লিঅ'নাৰ্ড'-দা-ভিঞ্চিৰ জন্ম হৈছিল ?

(1) ৬৭০ বছৰ (2) ৫৭১ বছৰ (3) ৫০০ বছৰ (4) ৪৭১ বছৰ

**128.** "ল'ৰাটোক লৈ দেউতাকৰ যথেষ্ট দুশ্চিন্তাই হৈছিল।" - ইয়াত 'যথেষ্ট' এটা -

(1) ক্ৰিয়াবাচক বিশেষ্য (2) অব্যয় (3) বিশেষ্য (4) বিশেষণ

**নিৰ্দেশ ঃ তলৰ পাঠটো পঢ়ি 129 ৰ পৰা 135 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰা।**

স্বৰ্গদেৱ শিৱসিংহৰ দিনত তেওঁ হেনো সত্ৰৰ ঠাইডোখৰ বৰপেটাৰ সমূহ ভকতক দান কৰে। বৰ্ত্তমান সত্ৰৰ ঠাইডোখৰ প্ৰায় চাৰিপুৰা মাটিৰ ইটাৰ গড় এটাৰে আবৃত হৈ আছে। মুঠতে গড়টোত দুৱাৰমুখ চাৰিখন। পশ্চিমফালে বাটঘৰটো। এইখনেই কীৰ্ত্তনঘৰৰ ঘাই দুৱাৰমুখ বা সিংহদুৱাৰ। আগতে এই বাটঘৰটো সাধাৰণ পকীঘৰ আছিল, পিছে দৈবদুৰ্বিপাকত ১৮৯৭ চনৰ বৰভুঁইকঁপত বাটঘৰটো হৰহৰকৈ খঁহি পৰে। এতিয়া তাক আধুনিক ধৰণেৰে ৰমকজমককৈ সজোৱা হৈছে। বাটঘৰত প্ৰৱেশ কৰিলেই সন্মুখত চকুত পৰে বৃহৎ কায়ৰ প্ৰকাণ্ড কীৰ্ত্তনঘৰটো। আগতেই কৈ আহিছোঁ ই প্ৰথমে খেৰৰ আছিল, পিছত মানে অসম আক্ৰমণ কৰা সময়ত ই সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হৈ যায়। ফলত নতুন টিনৰ ঘৰৰ সৃষ্টি হয়। আজিকালি যদিও নতুনকৈ সাজিব ধৰিছে, সেই টিনৰ ঘৰৰ চিনচাব আজিও দেখিবলৈ পোৱা যায়। কীৰ্ত্তন ঘৰটোৰ তিনিফালে উত্তৰ, দক্ষিণ আৰু পশ্চিমফালে তিনিখন কাঁথি। কাঁথিৰ ওপৰৰ বেৰবিলাকৰ আধাডোখৰত ৰংবেৰংকৈ সজোৱা শ্ৰীকৃষ্ণৰ মূৰ্ত্তি আছে। কীৰ্ত্তনঘৰৰ দুৱাৰমুখ দুখন। দুয়োখন দুৱাৰতেই ৰূপৰ কাম কৰা। কীৰ্ত্তনঘৰৰ পূৰমূৰত গাতে গা লগাকৈ এটি ভাজঘৰ। ইয়াৰ ভিতৰত কলীয়া ঠাকুৰৰ মন্দিৰ। ভাজঘৰৰ পূবে এটি ধুনীয়া চাংঘৰ। বিদেশৰ পৰা অহা যাত্ৰীসকলে এই চাংঘৰটোত জিৰণি লয়। চাংঘৰৰ উত্তৰে দক্ষিণে দুটা পূৱা-পশ্চিমা দালান ঘৰ। এটা বাদুলা আতাৰ মঠ, আনটো মথুৰা আতাৰ মঠ। কীৰ্ত্তনঘৰৰ উত্তৰফালে বাদুলা আতাৰ মঠৰ পশ্চিমফালে মহাপুৰুষ জগৎগুৰু শঙ্কৰদেৱৰ মঠটো। মঠৰ সন্মুখত সৰু ঘৰ এটিৰ ভিতৰত থকা নিৰ্ম্মল পানীৰ নাদ এটা। গড়ৰ উত্তৰ পশ্চিমে চকুত পৰে ফাকুৱাৰ দৌলটো। ওখ শুভ্ৰদৌলটোত মুঠতে সাতোটা ঠাক। তলৰ ঠাক কেউটি ৰঙা। কীৰ্ত্তনঘৰৰ পূব ফালে এটি কুণ্ড। বৰপেটাৰ মানুহে তাক 'খটখটি' বুলিয়েই পৰিচয় দিয়ে। আটাই কেইটা কীৰ্ত্তনতে এই কুণ্ডটোত নাওখেল খেলা হয়। কীৰ্ত্তনঘৰৰ উত্তৰ আৰু দক্ষিণ ফালে শাৰী পাতি থকা কেৰলীয়া আতৈহঁতৰ অকণি অকণি বহাবোৰ। দক্ষিণ দুৱাৰৰ কাষতে অস্থায়ী চিকিৎসালয় ঘৰটো আৰু উত্তৰ ফালে অফিচ আৰু ভড়াল ঘৰটোও চকুত নপৰাকৈ নাথাকে। গোটেইটো গড়ৰ ভিতৰখনতে নাৰিকল আৰু বকুল গছেৰে পৰিপূৰ্ণ। ইমান ধুনীয়া দেখি, ভিতৰত প্ৰৱেশ কৰিলেই মনৰ দুখ-শোক সকলো যেন ম্লান হৈ যায়।

Prepp
Your Personal Exams Guide

**129.** "গোটেইটো গড়ৰ ভিতৰখনতে নাৰিকল আৰু বকুল গছেৰে পৰিপূৰ্ণ।" - এই বাক্যটোৰ কেইটা বিশেষ্য চিনাক্ত কৰাঁ -

(1) গড়, নাৰিকল, বকুল গছ (2) গছ
(3) গড় (4) নাৰিকল আৰু বকুল

**130.** কীৰ্ত্তনঘৰৰ দুৱাৰত কি ধাতুৰ কাম কৰা আছে ?

(1) তাম (2) কাঠ (3) সোণ (4) ৰূপ

**131.** বৰপেটাৰ কীৰ্ত্তনঘৰত কেইটা মঠ আছে ?

(1) তিনিটা (2) পাঁচটা (3) দুটা (4) এটা

**132.** বৰপেটাৰ মানুহে কিহক খটখটি বুলি কয় ?

(1) কীৰ্ত্তনঘৰৰ পূৱত থকা কুণ্ড (2) দালান ঘৰ
(3) দক্ষিণ দুৱাৰ (4) দৌলৰ ঠাকবোৰ

**133.** সত্ৰৰ সিংহদুৱাৰখনৰ আন এটা নাম কি ?

(1) কীৰ্ত্তনঘৰ (2) ভাজঘৰ (3) বাটঘৰ (4) গড়

**134.** সত্ৰৰ কীৰ্ত্তনঘৰটো কেতিয়া ধ্বংশ হৈছিল ?

(1) আহোম ৰজাৰ দিনত (2) মানৰ আক্ৰমণৰ সময়ত
(3) ১৮৯৭ চনৰ বৰভূঁইকপত (4) শিৱসিংহৰ দিনত

**135.** কলীয়া ঠাকুৰৰ মন্দিৰ ক'ত আছে ?

(1) মঠ (2) শুভ্ৰদৌল (3) ভাজঘৰ (4) চাংঘৰ

**136.** এজনে দ্বিতীয় ভাষা ভালকৈ শিকিব পাৰে -

(1) শ্ৰব্যভাষিক পদ্ধতি হিচাপে সংলাপ পুনৰোক্তি আৰু অভ্যাস কৰি।
(2) লক্ষ্যভাষাৰ কথন পাঠ্যক্ৰম এটা গ্ৰহণ কৰি।
(3) য'ত ব্যাকৰণত অধিক মনোনিৱেশ কৰিব পাৰি আৰু শিক্ষকৰ সহায় লাভ কৰা যায়।
(4) নিজৰ সমাজৰ নিজা ভাষা কওঁতাসকলৰ সৈতে নিৰন্তৰ যোগাযোগ ৰক্ষা কৰি।

**137.** যদি এটি শিশুৱে তেওঁৰ চৌদিশৰ পাৰিপাৰ্শ্বিকতাত দুটা ভাষা সমানে কৈ থকা শুনে, তেন্তে এই দুটা ভাষাৰ সৈতে পৰিচয়ে -

(1) কোনো পাৰ্থক্য নাৰাখে (2) বুজাত দ্বিধাৰ সৃষ্টি কৰিব
(3) শিশুটিক অসুবিধাত পেলাব (4) শিশুটিৰ বাবে সুবিধাৰ সৃষ্টি কৰিব

**138.** শিশু এটাই শিক্ষকে প্ৰদান কৰা বাক্যৰ আধাৰত বাক্যবোৰ পুনৰোক্তি কৰি কৰি ভাষাটোৰ গঠন সম্পৰ্কে শিকিবলৈ চেষ্টা কৰিছে। তেওঁলোকে খণ্ডবাক্যবোৰ মনত ৰাখে আৰু অনুশীলনীবোৰ সঠিকভাৱে কৰিলে শিক্ষকৰ পৰা যোগাত্মক উৎসাহ লাভ কৰিছে। শিক্ষকগৰাকীয়ে ব্যৱহাৰ কৰিছে -

(1) সামগ্ৰিক ভৌতিক সঁহাৰি (Total physical response)

(2) গঠনাত্মক অভিগম

(3) শ্ৰব্যভাষিক পদ্ধতি

(4) যোগাযোগমূলক অভিগম

**139.** এটা নিৰ্দিষ্ট উদ্দেশ্য নিহীত পঠন কাৰ্যত শিক্ষাৰ্থীসকলক মনোযোগেৰে আৰু সাৱধানতাৰে এটা পাঠৰ সবিশেষ পঢ়িবলৈ দিয়া হৈছে। ই হৈছে -

(1) নিৰ্দেশিত পঠন (Guided Reading)

(2) আনন্দদায়ক পঠন (Pleasure Reading)

(3) বিস্তৃত পঠন (Extensive Reading)

(4) ঐকান্তিক পঠন (Intensive Reading)

**140.** এটা পাঠ আৰম্ভ কৰাৰ পূৰ্বে শিক্ষকে শিক্ষাৰ্থীসকলক কেইবাটাও গোটত ভাগ কৰি দিলে আৰু তেওঁলোকে পঢ়া এটা বাতৰিকাকতৰ বাতৰিৰ বিষয়ে আলোচনা কৰিবলৈ দিলে। এই ধৰণৰ কথন অভ্যাস হৈছে -

(1) নিৰ্দেশিত কথন অভ্যাস

(2) সক্ৰিয় শ্ৰৱণ

(3) সাৱলীল কথন অভ্যাস

(4) নিয়ন্ত্ৰিত কথন অভ্যাস

**141.** শিশুৰ বোধজনিত অগ্ৰগতি আৰু ভাষা -

(1) প্ৰগতিৰ কোনো সম্পৰ্ক নাই।

(2) শিশু এটা ডাঙৰ দীঘল হোৱা সমাজ এখনৰ সংস্কৃতি আৰু গোষ্ঠীসমূহৰ সৈতে নিকট সম্পৰ্কযুক্ত।

(3) উদ্দীপক সঁহাৰি আৰু অনুকৰণ প্ৰক্ৰিয়াৰ সম্পৰ্কৰ সৈতে জড়িত।

(4) মানে বুজিব লাগে যে, এগৰাকী জন্ম হৈছে ভাষা পাৰদৰ্শিতা প্ৰদৰ্শনৰ এটা আহিলাৰ সৈতে।

**142.** প্ৰাথমিক স্তৰত পঠন দক্ষতা মূল্যায়নৰ বাবে শিক্ষকে অধিক মনোনিৱেশ কৰিব লাগে -

(1) সঠিক গতিত পঢ়া

(2) বুজি লৈ পঢ়া

(3) বৰ্ণমালাৰ আখৰবোৰ চিনাক্ত কৰা

(4) যতি চিনবোৰৰ ব্যৱহাৰ

**143.** সামগ্ৰিক ভাষা অভিগমন (Whole language approach) হৈছে -

(1) শব্দ মিশ্ৰণ (blending sounds)

(2) ধ্বনি আৰু প্ৰতীকৰ সম্পৰ্ক অনুমান কৰা (infessing a sound-symbol relationship)

(3) অৰ্থ কেন্দ্ৰিক

(4) দক্ষতা কেন্দ্ৰিক

**144.** এগৰাকী শিক্ষকে পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীক এটা গল্প খৰতকীয়াকৈ পঢ়িবলৈ দি তাৰ চাৰিখন ছবি শৃংখলাবদ্ধ ৰূপত সজাবলৈ দিলে। এই কাৰ্যৰ উদ্দেশ্য হৈছে -

(1) নিৰ্ধাৰিত তথ্যৰ বাবে পঢ়িবলৈ দিয়া

(2) গল্পটোৰ নতুন আৰু জটিল শব্দবোৰ পুনৰালোচনা কৰা

(3) ছবিৰ কাৰ্ড সজাবলৈ দিয়া

(4) সাৰ গ্ৰহণৰ বাবে পঢ়িবলৈ দিয়া

www.prepp.in
Prepp
Your Personal Exams Guide

**145.** "ভাষা শিকন হৈছে এক বিস্তৃত প্ৰক্ৰিয়া, যিটো জন্মৰ লগে লগে আৰম্ভ হয় আৰু গোটেই জীৱন জুৰি চলি থাকে।" - এই অভিমতটোৰ সৈতে তুমি একমত নে একমত নহয় ?

(1) মই আংশিকভাৱে একমত
(2) মই আংশিকভাৱে একমত নহয়
(3) মই একমত
(4) মই একমত নহয়

**146.** প্ৰাথমিক স্তৰত মূল্যায়নৰ আহিলা আৰু প্ৰক্ৰিয়াসমূহ এনেদৰে প্ৰস্তুত কৰিব লাগে যাতে -

(1) শ্ৰেণীকোঠাৰ সামগ্ৰিক প্ৰদৰ্শনৰ আধাৰত শিক্ষাৰ্থীৰ অগ্ৰগতি ব্যাখ্যা আৰু পৰীক্ষা কৰিব পৰা যায়।
(2) শিক্ষকে যাতে সকলো শিক্ষাৰ্থীক মূল্যায়ন কৰিবলৈ একেটাই পদ্ধতি ব্যৱহাৰ কৰিব পাৰে।
(3) বিতং পৰীক্ষণ (Explicit Tests) আৰু পৰীক্ষাবোৰ শিক্ষাৰ্থীৰ বাবে যথাৰ্থ হয়।
(4) ই শিশুৰ অভিজ্ঞতাৰ এক স্বাভাৱিক সম্প্ৰসাৰণত পৰিণত হয়।

**147.** শিশুৱে ব্যাকৰণৰ নিয়ম আৰু শব্দভাণ্ডাৰ মুখস্থ কৰিছে আৰু বেছিভাগ কামেই নিজৰ মাতৃভাষাত সম্পন্ন কৰিছে। ভাষা শিক্ষাৰ এই শ্ৰেণীটোত শিক্ষকে অৱলম্বন কৰা পদ্ধতিটো -

(1) যোগাযোগমূলক শিক্ষণ
(2) ব্যাকৰণ অনুবাদ
(3) প্ৰত্যক্ষ পদ্ধতি (Direct Method)
(4) স্বাভাৱিক অভিগম (Natural Approach)

**148.** ছপা গ্ৰন্থৰ উপৰিও শ্ৰব্যগ্ৰন্থ আৰু কৌশল দক্ষতা বৃদ্ধিৰ গ্ৰন্থসমূহ শ্ৰেণীকোঠাৰ পাঠদানৰ অংশ হোৱা উচিত। কাৰণ -

(1) বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ বাবে কিতাপ সহজলভ্য হৈ পৰে।
(2) এই কিতাপবোৰে শিক্ষকৰ বাবে অতিৰিক্ত বোজাৰ সৃষ্টি নকৰে।
(3) ই শ্ৰেণীটোক বৈবিধ্য প্ৰদান কৰে আৰু শিশুৱে বৈবিধ্য ভাল পায়।
(4) ই শিক্ষকক মূল্যায়নৰ বাবে বিভিন্ন গ্ৰন্থ ব্যৱহাৰ কৰাৰ স্বতন্ত্ৰতা প্ৰদান কৰে।

**149.** পঠন শিকনৰ ক্ষেত্ৰত এটা ডাঙৰ প্ৰত্যাহ্বান হৈছে মটিভেচন আৰু ভাল শিশু সাহিত্যৰ সন্ধান কৰাটো। এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ-

(1) শিশুক অনুপ্ৰেৰণা যোগোৱাৰ লগতে তেওঁলোকক পঠনৰ প্ৰতি আকৃষ্ট কৰিবলৈ সহজতে পোৱা শিশুসাহিত্যৰ সহায় ল'ব লাগে।
(2) বিদ্যালয় কৰ্তৃপক্ষই শিক্ষাৰ্থীসকলক কিতাপৰ প্ৰতি আগ্ৰহ বঢ়াবৰ বাবে গ্ৰন্থমেলালৈ লৈ যাব লাগে।
(3) শিক্ষকে শিক্ষাৰ্থীক দৈনিক এখন কিতাপ পঢ়িবলৈ অনুপ্ৰাণিত কৰিব লাগে।
(4) অভিভাৱকক ঘৰতে এটা সৰু পুথিভঁৰাল স্থাপন কৰিবলৈ উৎসাহ যোগাব লাগে।

**150.** এটা ভাল কথন অভ্যাস হৈছে সেইটো, য'ত -

(1) শিশুৱে অধিক কথা পাতে
(2) মুকলিকৈ কথা কোৱা শিক্ষাৰ্থীয়ে অধিক কথা কয়
(3) শিক্ষকে অধিক ব্যাখ্যা আগবঢ়ায়
(4) শিকাৰুৱে অধিক মাত্ৰাত শুনে

- o O o -

www.prepp.in

Prepp
Your Personal Exams Guide

SPACE FOR ROUGH WORK

Prepp
Your Personal Exam Guide

www.prepp.in

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘুৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. মবাইল ফোন, যিকোনো বেতাঁৰী সংযোগ সঁজুলি (আনকি চুইচ্ট্স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেনে পৰীক্ষাৰ্থীৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহিৰ খালি ঠাইত বাঁও হাতৰ বুঢ়া অঙ্গুলিৰ ছাপ ৰখা লাগিব।

12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

Prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***